

সপোন
মহৎ লোকৰ বাণী
আদৰ্শ শিক্ষক সেই সকল যিসকলে শিক্ষাৰ্থীক চিন্তা কৰিবলৈ শিকায়
- সৰ্বপল্লী ৰাধাকৃষ্ণন
আমাক এনে শিক্ষা লাগে যাৰ দ্বাৰা আমাৰ সং চৰিত্ৰ গঠন হয়। যাৰ দ্বাৰা মানসিক বল বৃদ্ধি হয় যাৰ দ্বাৰা বুদ্ধিমত্তা প্ৰসাৰিত হ'ব আৰু যাৰ সহায়ত আমি নিজৰ ভৰিত থিয় দি আত্মনিৰ্ভৰশীল হ'ব পাৰো।
- স্বামী বিবেকানন্দ
সাঁথৰ

# সোপান



অনুগল্প

সোপান

# উন্মোচকৰ স্বাক্ষৰ

উন্মোচন হ'ল

কৰা

[illegible signature]

08/02/2025

### চুটিগল্প

## ভৱিষ্য

কপালৰ ৰেখা কোঁচ খুৱাই কেঁকাই থকা মাকৰ মুখখনলৈ অসহায় ভাৱে হুদুলে এবাৰ চাই মইনে চাইকেলত উঠিলেহি। চাকৰিটোৱেই তাৰ সম্বল এতিয়া। দেউতাক বাৰণ্ডাৰ চকীখনত নিৰ্বিকাৰ হৈ বহি আছে। ঘৰৰ মানুহকেইটাক পানী এটুপি দিবলৈও মানুহ নথকা বাবেই পৰিয়ালৰ সকলোৰে বুজনিত সি আজি তিনি বছৰৰ আগতেই ৰবিতাক বিয়া কৰাই আনিছিল। ছোৱালী জনীৰ ভৱিষ্যতৰ কথা ভাবিয়েই ৰবিতা এতিয়া বছৰৰ অধৰু দিন মাকৰ ঘৰত থাকে।



## গল্প

## -ওলোমা মানুহ-

সৰ্ব্বত্ৰ পৰা আবালবৃদ্ধসকল গছৰ ডাল-ঠেঙুলিবোৰত ধৰি ওলমিছে। ওলোমা-ওলোমা শুকুলা মেঘৰ টুকুৰাবোৰে যেন গছৰ ডালবোৰৰ মাজেৰে সোমাবা আশাৰে থাকিছে মানুহবোৰ। হ'ব বা বছৰৰ এজাতীয় বিচিত্ৰ প্ৰকৃতি কথা বিধ্বস্ত আবাসস্থান আজি তাত একেবাৰে উলটা যেন লাগিছে। মানুহৰ সকলো কামত নিজ নিজৰ কিবা এটাই নিৰ্ভয়ে বিচৰণ কৰিছিল। মানুহৰ বিবেকতাত সুযোগ লৈ বুদ্ধিমত্তা ওলোটাই মনা খাইদিয়া পৰা উঠি আহি উলটিয়েই হ'ব। আজিপৰ্যন্ত দিয়া নিৰ্দিষ্ট জগতৰ নিজতে আক্ৰমণ উপাদানবোৰ অপসাৰিত হৈ থাকিব কিম্বা আত্মা-সৈনিক ওপৰৰ দুৱ মানুহ জোৰত হৈ থাকিব বিচাৰি ঠাইখন সুখৰ কাৰণে আহাৰ চেষ্টা কৰিছিল। প্ৰথমবাৰৰ বাবে নিজৰ ঠাইখনতে সুখমন দুখলৈকে ইমান কষ্ট অনুভৱ কৰিবলগীয়া হৈছে।

কচাই থাকোত ওলমূৰ কৰি ওলোমাই থোৱা আগলীটোত দুৱে নিজে সুখ অনুভৱ ওলমি আছে মানুহ। কুৱলীয়া প্ৰকৃত এক অজান আতংকে আহি ধৰিছে মানুহক। প্ৰথম কালত গছত ওলোমাৰ ভয় দি ওলমি থাকোঁতে মূৰত তেজ উঠিব বুলি কোনোৱে ভয় খুৱাইছিল তাক। মূৰত তেজ উঠিলে কি নো হয়! জানিবলৈ তাৰ ইচ্ছা জাগিল। মূৰত তেজ উঠিলে যদি তাৰ দুখবোৰ সাংঘাতিক কিবা এটা পৰিৱৰ্তন হৈ যায় তেন্তে তাৰ আগত কৰিবলগীয়া কাম বুলি মনটোক আত্মন নিয়াইছিল। মানুহ নিজকে অলপ কৰিবলৈ কেইদিন কেইবাৰ পৰীক্ষা চলাইও বিফল হৈছিল। কিবা এটা বেলেগ হ'বলৈ গ'লেই অনুগত্যৰ দুৱাৰ ঠেলে তাত বেলেগ ঠেকাত মোহটোক কুকুৰাই খাইছে।

## কবিতা

### সপোন

আজিকালি মই সপোন দেখিবলৈ এৰি দিছো
এতিয়া তুমি নালাগে বুজিব
মোৰ মৌন হৃদয়ৰ আকুলতা
তেনেকৈয়ে পৰি থাকক মোৰ মৰমবোৰ সপোনবোৰ
হৃদয়ৰ অন্ধ কোঠালিত
আজিকালি মই সপোন দেখিবলৈ এৰি দিছো...।

তুমি আহিবা বুলিয়েই সাজিছিলো
বুকুত সপোনৰ বালিঘৰ
দেহৰ প্ৰতিটো কোষত স্পন্দিত হৈ থকা
প্ৰতিটো স্পন্দনক মই এতিয়া বাধা দিম
মৰহি যাওঁক মোৰ হৃদয়ৰ ফুলনিত ফুলা প্ৰতিপাহ ফুলেই
আজিকালি মই সপোন দেখিবলৈ এৰি দিছো...।

— তিস্মী পাটোৱাৰী
চতুৰ্থ ষাণ্মাসিক

# অনুগল্প

## চহী

তোমাৰ কথাবোৰ আৰু বিশ্বাস সত্য কৰিম
সত্য কৰিবই লাগিব কাৰণ তুমি মোৰ পত্নী
এৰা ধৰা বিশ্বাস কৰিলে এখন সংসাৰ ভালে থাকে।
নাজানো কিন্তু নাৰীয়ে এই মিলা মিলি বোধ কৰিছে নে চলিব লাগিব
আৰু পুৰুষে ????
আজিকালি জোৰকৈ কাঁহি কৰে
পুৰুষ এটা স্বাধীন হৈছে।
লগে লগে শাশ্বতীয়ে বিবাহ বিচ্ছেদৰ কাগজখনত চহী কৰিলে ॥

—: শাশ্বতী শৰ্মা
দ্বিতীয় ষাণ্মাসিক

— আব্ৰাহাম লিংকন ।

## সাঁথৰ

১. বগা বগা চাহাবে ৰঙা ক'লা টুপি পিন্ধে,
এক ঘোচা মাৰি দিলে জ্বলি-পকি উঠে
---- জুইশলা

২. এজনী কলী গাই ঘাটে ঘাটে পানী খায়
----- বৰশী

৩. হাবিত কাঁন্দে ওলাই মাতে
---- কুঠাৰ

৪. দেশ আছে মানুহ নাই, নদী আছে পানী নাই
---- মানচিত্ৰ

৫. ৰজাৰ ঘৰৰ কলী গাই ঘাটে ঘাটে পানী খায়
---- বৰশী

...তিটি
...তি
...লে
...নেকি!!!
...মিতিলা দে



## হৃদয়ে বিচাৰে কাক

তুমি লুকুৱিলা
মনে মোৰ কি বিচাৰে
তুমি নাজানিবা ।
জীৱনৰ প্ৰথম প্ৰভাত
তুমি কিয় আকোৱালি ল'লা
হিয়া দিয়া নিয়াৰ ছালত
মন মোৰ বলিয়া কৰিলা ।
যৌবনৰ মধুৰ ক্ষণ
কিয় তুমি কল্পনাই দিলা
মনৰ সপোন মনতে থাকিল
তোমাৰ কথাডাবি মই কলো
তুমি যেন ভালে কুশলে থাকা ।

— উজ্জ্বল কলিতা
দ্বিতীয় ষাণ্মাসিক

## মুক্ত কণ্ঠ

জীৱনটো এটা সৰল অংকৰ দৰে
দুখবোৰ যোগ হয়,
সুখবোৰ বিয়োগ হয়,
বেদনা বোৰ হৰণ হয়
আৰু হাঁহি বোৰ পূৰণ হয় ।
বাকী থাকে মাথোঁ আশা
যি কেতিয়াও শেষ নহয় ।



## মহৎ লোকৰ বানী

আদৰ্শ শিক্ষক সেই সকল যিসকলে
শিক্ষাৰ্থীক চিন্তা কৰিবলৈ শিকায়
- সৰ্বপল্লী ৰাধাকৃষ্ণন

আমাক এনে শিক্ষা লাগে যাৰ দ্বাৰা আমাৰ
সৎ চৰিত্ৰ গঠন হয়। যাৰ দ্বাৰা মানসিক বল
বৃদ্ধি হয় যাৰ দ্বাৰা বুদ্ধিমত্তা প্ৰসাৰিত হ'ব আৰু
যাৰ সহায়ত আমি নিজৰ ভৰিত থিয় দি
আত্ম নিৰ্ভৰশীল হ'ব পাৰোঁ।-
-স্বামী বিবেকানন্দ

নোৱাৰা শব্দটো মূৰ্খৰ ডৰালত থাকে।
— আব্ৰাহাম লিংকন ,

## সপোন

মানুহৰ আশা আৰু সপোন,
সদায় ডাঙৰ হ'ব লাগে।
পাহাৰৰ উচ্চতাই,
কেতিয়াও বাধা দিব নোৱাৰে ॥

সপোন সেয়া নহয় যি শুই শুই দেখে,
সপোন সেয়া হয় যিয়ে শুব নিদিয়ে।
সপোনৰ বাস্তৱত পৰিণত নহ'লেও,
সপোনবোৰক মৰিবলৈ দিব নোৱাৰি ॥

সময়ৰ লগত মনে ধীৰে ধীৰে,
ই আহো আগবলৈ।
কিজানিবা মোৰ,
সপোনবোৰে ঠিকনা বিচাৰি পাওঁযে
মই উৰিব বিচাৰো ডেউকা মেলি,
জীৱনৰ শান্তি পথ বিচাৰি।
সপোন বিচাৰি ॥

এতিয়া মোৰ সপোন মাথো,
মই জনীক মোৰ সপোনৰ দিশত
ধাৱমান কৰোঁৱা ॥

Beauty Begum

### কৌতুক

যিমানেই পঢ়িম, সিমানেই
জানিম।
যিমানেই জানিম সিমানেই
পাহৰিম।
যিমানেই পাহৰিম, সিমানেই
কম জানিম।
যিমানেই কম জানিম, সিমানেই
কমকৈ পাহৰিম।
যিমানেই কমকৈ পাহৰিম সিমা-
নেই অথাৎ বেছিকৈ জানিম
গতিকে পঢ়িব
কিয় লাগে।





# কবিতা

## জীৱন পথ

জীৱনটো হ'ল এক যাত্ৰা
হাঁহিৰে পৃথিৱীৰ মুখামুখি হ'বা,
যিকোনো কাম প্ৰেমেৰে কৰিবা,
হৃদয়ত শান্তি অনুভৱ কৰা
জীৱনটো উপভোগ কৰিবলৈ শিকা
আৰু য'ত তোমাৰ আছে হৃদয়,
শুকাই নাথাকিবা, অতিক অসময়লৈও নকৰিবা,
অপেক্ষা, আগবাঢ়ি যোৱা, যদিওবা,
হয় পথ দীঘল চলমানবিলাক যে এই পথত
কোনো আনন্দ নাই, তোমাৰ পথে আমি
দিব পাৰে তোমাক জীৱনৰ স্বাদ।
কেৱল মাথো প্ৰয়োজন আগবাঢ়ি যোৱাৰ
তোমাৰ জীৱন পথত, যদিও এই পথ
দীঘল আৰু, কুটিলাৰে ভৰা, যদিওবা
মাজে পথত খুজি মাৰ পৰা নেৰাবা।

## কৃতজ্ঞতা স্বীকাৰ

এই প্ৰাচীৰ পত্ৰিকাখন সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত মোক সকলো প্ৰকাৰৰ সহায় তথা দিহা পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ মুৰব্বী অধ্যাপিকা আৰু অধ্যাপক, ওচৰত মই কৃতজ্ঞ প্ৰাচীৰ পত্ৰিকা খনৰ লগত প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে জড়িত প্ৰতিজন ব্যক্তি তথা বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰ কৃতজ্ঞ। তেখেত সকলৰ মিলিত সহায় অবিহনে এই প্ৰাচীৰ পত্ৰিকাখন সম্পূৰ্ণ হৈ নুঠিল হেতেন।

ধন্যবাদেৰে ___

ধৃতিস্মিতা হালৈ
প্ৰিমা হালৈ
সুস্মিতা হালৈ।


## সম্পাদনা সমিতি

তত্ত্বাৱধায়িকা :- শ্ৰীমতী পূৰৱী অলুকদাৰ
(মুৰব্বী অধ্যাপিকা)

সম্পাদিকা:- শ্ৰী ধৃতিস্মিতা হালৈ
(ষষ্ঠ ষান্মাসিক)

সহ সম্পাদিকা :- শ্ৰী প্ৰিমা হালৈ
(ষষ্ঠ ষান্মাসিক)

সদস্য- সদস্যা :- সুস্মিতা হালৈ, উজ্জ্বল কলিতা
খনিন্দ্ৰ মেধি, সৰস্বতী শৰ্মা
পাৰ্থ প্ৰতিম হালৈ, মন্দাকিনী বৰ্মন



## প্ৰবন্ধ

### কল্পনা, বাস্তৱ আৰু তাৰ দোমোজা

ভগৱান এক অটল বিশ্বাস যাৰ অস্তিত্ব আমোঁ মানুহৰ সেইবোৰ অভিজ্ঞতাত যিবোৰ অন্যৰ পৰা আহৰণ কৰা। ভগৱান সমস্ত জীৱ জগতত মানুহৰ পৈতৃক সম্পত্তিৰ দৰে। ভগৱান নামৰ আখ্যাটোৰ একচ্ছত্ৰী মালিক মানুহ প্ৰাণীটো। মানুহৰ ওপৰত বিশ্বাস হেৰাই গ'লেও অশৰীৰী, অপৰিচিত ভগৱানৰ ওপৰত বিশ্বাস অটুট থাকে মানৱৰ। কোনোৱে নোৱাৰে ভাঙিব এই বিশ্বাস, হয়তো আহি স্বয়ং ভগৱানেও। ভয়, শংকাৰ ভিন ভিন প্ৰাদুৰ্ভাৱত নিজৰ নিৰাপত্তাক লৈ গঢ়ি উঠি চাগে এই বিশ্বাসবিধ বা ধাৰণাটো। অৱশ্যে ইয়াৰ ইতিবাচক দিশো নথকা নহয় মানৱ জীৱনত, কিছু জন্তুৰ নাথাকে ভেদে ধৰ্মৰ কোনো বিশ্বাস, না ঈমান বোলি চিন্তা কৰিব পৰা ক্ষমতা। মানৱৰ এই গুণটোও যে ভগৱানৰে দান। হয়তো মানুহ অলপ বেছিয়েই চেতৰ। জন্তুতকৈ কিমান গুণে বেছি চেতৰ তাৰ হিচাপো জানো মানুহে নিজেই নিদিয়ে। এৰা! মানুহৰ এই ভগৱান বিশ্বাসটোও অন্য এজনৰ নিৰৱচ্ছিন্ন মানসিক আগিদাত তোল হৈ বিনা প্ৰমাণে মানি লোৱা কিছু অনুভৱ, কিছু ধাৰণা। হয়তো জন্মৰ পিছৰে পৰা হকে-বিহকে পূৰ্বজৰ পৰা পোৱা নিঃস্বাৰ্থ অথচ সংজ্ঞাহীন শিক্ষাৰ ফল এই বিশ্বাস। কিছু যদিওবা ভগৱান এটা আমোঁ ধাৰণাহে, তথাপিও কিন্তু কোনোবাই প্ৰমাণ নাপাই ভগৱানৰ বাস্তৱিক অস্তিত্ব নুই কৰিব বিচাৰিলে অভিজ্ঞতা সম্পন্ন সেই ব্যক্তিজন, ভগৱানৰ ভক্তজন দানৱীয় ৰূপ লৈ জাপুৰ থাই উঠিব। যাৰ আজত ভেটিয়া মুৰ্তিও নাথাকিব ভগৱান শব্দটোৱে শিকাৰ বিচৰা মানৱতা। যিহেতু যিকোনো পৰিস্থিতি-ৰেই পৰিপ্ৰেক্ষিতত যাৰ মনটো মানুহৰ স্বভাৱ বিৰুদ্ধে।